



# সাহিত্য





## SAHITYA

Editor : Annanya Baruah

An E-book from Digboi Mahila Mahavidyalaya

# ***Messages***

## President, Governing Body



**(Lakinandan Gogoi)**
**President**
**Governing Body**

I am extremely happy to know that Digboi Mahila Mahavidyalaya is going to release its e-book SAHITYA. It will certainly mirror the development and achievements of our college. The bulletin will keep us on track towards excellence. I compliment the editorial.

## Principal



**(Dr. Sanjita Chetia)**
**Principal**
**Digboi Mahila Mahavidyalaya**

It is undoubtedly a matter of pride and celebration that a quarterly e-newsletter is going to be released at our college. I thank the editorial team for conceiving and materializing such an epoch-making idea that is going to record the history of the college as it unfolds. I hope this e-journal will maintain its consistency in all the issues.

## Coordinator, IQAC



**(Dr. Pankaj Luchan Gogoi)**
**Coordinator**
**IQAC**

It is a matter of joy and pride that our college is going to release its first ever e-book .In this era of information technology, the creation and circulation of e-books are of great use and benefit for the advancement and dissemination of knowledge .I belief that the birth of e book -Sahitya will go a long way in this direction. I extend my love and regards to the team of Sahitya and pray God for its longevity.

# CONTENT

## *Articles:* *page:*


- অৰণ্য মানৱ যাদৱ পায়েং : হিৰুছিমা ডাঙৰীয়া 1
- লোকবিশ্বাস : জুৰি মৰাণ 2-3
- সমাজত নাৰীৰ স্থান :প্ৰতিভা দেৱী 4-5
- নিৰ্বাচনী আয়োগ :মুনমী ফুকন 6
- যুৱ প্ৰজন্মৰ ওপৰত ড্ৰাগছৰ প্ৰভাৱ :অৰ্পনা লাহন 7-8
- জৈন দীক্ষা :কংকণা সোণোৱাল 9-10
- The Cuisine Of West Bengal : Puja Ghosh 11


## *Poems:*


- মা:Sadiya Begum 12
- দেউতা : ভাগ্যলক্ষী বড়া 13
- বৰষুণৰ টোপাল :খুচি মগৰ 14
- জোনাক নিশা : নিহৰিকা সোণোৱাল 15
- সপোন :কৰীণা মহন 16
- প্ৰয়াস: ৰাজশ্ৰী দাস 17
- ত্যাগ :সৌভাগ্য চেত্ৰী 18
- কলম : পৰিস্মিতা বৰ্মন 19

# অৰণ্য মানৱ যাদৱ পায়েং

.হিৰুছিমা ডাঙৰীয়া (ইতিহাস বিভাগ)

ডিগবৈ মহিলা মহাবিদ্যালয়

অসমৰ এগৰাকী বিশিষ্ট পৰিৱেশ কৰ্মী হৈছে যাদৱ পায়েং। যোৰহাট জিলাৰ ককিলামুখৰ ব্ৰহ্মপুত্ৰৰ চাপৰিত কেইবাদশকো জুৰি গছপুলি ৰোপণ কৰি তেখেতে এক সংৰক্ষিত বনাঞ্চল গঢ়ি তোলে। সমগ্ৰ বিশ্বজুৰি তেওঁ 'Forest Man of India ' নামেৰে পৰিচিত। তেখেতৰ উপনাম হৈছে মূলাই। ৫৫০ হেক্টৰ অঞ্চল জুৰি থকা অৰণ্যখন তেওঁৰ সন্মানাৰ্থে 'মূলাই কাঠনি' নামেৰে নামাকৰণ কৰা হৈছে। মূলাই অৰণ্যতে তেওঁৰ নিজা বাসগৃহ আছে। তেওঁ এই পৰ্যন্ত ৪ কোটিৰো অধিক গছপুলি ৰোপণ কৰিছে। বৰ্তমান এই বনাঞ্চলত বহুতো ঢেঁকীয়াপতীয়া বাঘ, শতাধিক হৰিণা, বন গাহৰি, বনৰীয়া হাতী আদি জন্তুৰ উপৰিও শগুন আৰু বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী চৰাইৰ বাসভূমি। লগতে এই অৰণ্যত বহুতো মূল্যৱান উদ্ভিদ যেনে অৰ্জুন, কৰৈ, শিমলু, এজাৰ, বগৰী, গমাৰি, সোণাৰু, কৃষ্ণচূড়া, চেগুন আদি পোৱা যায়। ২০১২ চনৰ ২২ এপ্ৰিলত ধৰিত্ৰী দিৱসৰ দিনা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে তেওঁক 'ভাৰতৰ অৰণ্য মানৱ ' উপাধি প্ৰদান কৰে।

তেওঁ কৈছিল যে, গছৰ অবিহনে পৃথিৱীক বচাবলৈ আন কোনো উপায় নাই। এইগৰাকী অসম সন্তানক লৈ প্ৰতিগৰাকী অসমীয়াই গৌৰৱবোধ কৰে। সমগ্ৰ বিশ্বৰ বাবে যাদৱ পায়েং আৰু মূলাই কাঠনি প্ৰকৃতি প্ৰেমৰ অনন্য উদাহৰণ। .

# লোকবিশ্বাস

**জুৰি মৰাণ (অসমীয়া বিভাগ)**

**ডিগবৈ মহিলা মহাবিদ্যালয়া**

সাধাৰন অৰ্থত লোকবিশ্বাস হল - কোনো এখন সমাজে এটা পুৰুষৰ পাছত আন এটা পুৰুষলৈ মানি অহা বিশ্বাস। লোকবিশ্বাস এখন সমাজৰ মাজত পৰম্পৰাগতভাৱে যুগ যুগ ধৰি মনত পুঞ্জীভূত হৈ থকা কিছুমান ধ্যান ধাৰণা, অভিজ্ঞতা আদি। সময়ৰ লগে লগে পৰম্পৰাগতভাৱে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰবাহিত হৈ আহিছে। লোকবিশ্বাস তেনে এক সমষ্টি - যি যুগে যুগে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মই শিকি লৈ সংৰক্ষণ কৰি আহিছে। লোকসাহিত্য লোকবিশ্বাসৰ প্ৰতিচ্ছবি। অতীতৰ পৰা জনসাধাৰণৰ মাজত প্ৰচলিত পূজা পাঠ, ভূত - প্ৰেত, জখিনি, বুঢ়া ডাঙৰীয়া ভূত, আত্মা আদি বিশ্বাস বৰ্তমানো বহু সম্প্ৰদায়ৰ মাজত প্ৰচলিত হৈ আছে। ইয়াৰ উপৰিও জীৱ- জন্তু বিশ্বাস, প্ৰকৃতি সম্বন্ধীয় লোকবিশ্বাস, স্বপ্নফল বিশ্বাস এই সকলোৰে সমাহাৰ মানৱ জাতি যুগ যুগ ধৰি যি অভিজ্ঞতা লাভ কৰিলে, যি কথা শিকিলে, যি সমূহৰ চৰ্চা কৰিলে এই সমালোচনা সকলোৰে চৰ্চাৰ ভাণ্ডাৰ হল লোকবিশ্বাস। অসমীয়া সংস্কৃতিত লোকবিশ্বাসৰ প্ৰভাৱ পুৰণি কালৰে পৰাই সমাজত প্ৰচলিত হৈ আহিছে । যেনে - ধৰ্ম সম্বন্ধীয় লোকবিশ্বাস: ভূত - প্ৰেত , পিখাছ, বুঢ়া ডাঙৰীয়া ভূত, যখিনি পুৰণি কালৰে পৰা সমাজত চলি আহিছে। গছ, পাহাৰ - পৰ্বত, নদ - নদী, পূ - পূজা এতিয়াও সমাজত প্ৰচলিত হৈ আছে। পশু পূজাৰ ক্ষেত্ৰত গো হেকা পূজা। বহু জনজাতি ধৰ্ম মূলক অনুষ্ঠানত পশু বলি দিয়া হয়। ইয়াৰোপৰি বহু সম্পদায়ে সাপ পূজাও কৰা দেখা যায়। জীৱজন্তু সম্বন্ধীয় লোকবিশ্বাস: জীৱ-জন্তুৰ ক্ষেত্ৰত মেকুৰী সম্বন্ধীয় লোকবিশ্বাস আমাৰ সমাজত দেখা যায়। কেতিয়াবা কলা মেকুৰীক ভূত-প্ৰেত সমন্ধ থকা বুলি ধৰা হয়। অসমীয়া সাহিত্যত শিয়ালক গোঁসাই বুলি বিশ্বাস কৰে। হাতীক সদায় মংগলৰ চিন বুলি ধৰা হয়। হাতীৰ উপৰত পৃথিৱী খন ৰৈ আছে বুলি বিশ্বাস আদিম মানুহৰ মাজত আছিল। কুকুৰৰ মাতত অমংগল আছে বুলি ভবা হয়। একেদৰে কাউৰী, ফেঁচা আৰু ময়ুৰ চৰাই ক্ষেত্ৰতো কিছুমান বিশ্বাস আমাৰ সমাজত আছে। ফেঁচা ঘৰত সোমালে অমংগল চিন বুলি বিশ্বাস আছে। এঠাইলৈ যাত্ৰা কৰিলে কাউৰী মাতত অমংগল হব পাৰে। পখিলাৰ ক্ষেত্ৰত পখিলা গাত পৰিলে বিবাহৰ আগ জাননী বুলি ধৰা হয়। গছ পুজা: হিন্দু সমাজত বৰ গছ, আহঁত গছ, কদম গছ, বেল গছ আৰু তুলসী গছ পুজা কৰা হয়। অসমীয়া নিম গছৰ পাত ভূত খেদুৱা দৰৱ হিচাপে বিবাহৰ কৰা হয়। বড়ো সকলৰ কাৰণে সিজু বিশেষতাৰ্থপুৰ্ণ । তেওঁলোকে সিজু গছ চোতালত ৰুই তাৰ পুজা কৰে। ইয়াৰ উপৰি আমাৰ সমাজত বিশ্বাস আছে যে বিলহঙনি জ্বাৰিলে ভূতে ভয় খায় পলাই আৰু গাৰ বিষ ভাল হয় বুলি বিশ্বাস কৰে। শিল পুজা: শিল দেৱতা আৰু অপদেৱতাৰ বাসস্থান বুলি ভাবি সমাজত শিল পুজা কৰা দেখা যায়। জনজাতীয় সমাজত তেওঁলোকে বিশ্বাস অনুযায়ী শিল পুতে। কৃষি সম্বন্ধীয় লোকবিশ্বাস: মানৱজাতিৰ জীৱিকা নিবাখৰ এটা বৃত্তি হল কৃষি। গ্ৰাম্য জীৱনৰ কৃষিৰ মাজত বিভিন্ন ধৰণৰ

লোকবিশ্বাস জৰিত হৈ আছে । শস্য লহ পহ কৈ ডাঙৰ হবৰ বাবে কাতি বিহুত পথাৰত বন্তি জ্বলোৱা হয়। একেদৰে পথাৰত শস্য ভাল হবৰ বাৰে লখিমী পুজা পতা হয় । একেদৰে খেতি চপাই আনি এমুঠি চাউল ৰাইজৰ কামত লগোৱাটো বিশ্বাসৰ লগত জৰিত। প্ৰকৃতি পূজা: আদিম অৱস্থাৰ পৰা মানুহে প্ৰকৃতি পূজা কৰি আহিছে। চন্দ্ৰ, গ্ৰহ, নক্ষত্ৰ , বতাহ, বৰষুণ আদিৰ লগত সমাজত পূজা - পাঠ ক্ৰিয়া কৰ্মত বিশ্বাস আছে। প্ৰকৃতি পূজাৰ ভিতৰত অগ্নি পূজা প্ৰধান মানৱ জাতিৰ বিকাশৰ লগত অগ্নি ওত: প্ৰোত এক বিশ্বাস। জন্ম সম্পৰ্কে লোকবিশ্বাস: অসমীয়া সমাজত জন্ম সম্পৰ্কীয় অনেক লোকবিশ্বাস প্ৰচলন আছে। জন্মন্তৰ বাদী বিশ্বাস মানুহৰ মনত পূৰ্বজন্মৰ কৰ্ম ফলৰ বাবে সুস্থ সন্তান বা অংগাহীন সন্তানৰ জন্ম হয়। মাকৰ গাত সন্তান থকা সময়ত মাক বাপেকে জীৱ হত্যা কৰিব নাপায়। ইয়াৰ উপৰি মাকে ঘৰত ঠাই সৰা জাবৰ জ্বলাই থব নাপায়। কাৰণ বিশ্বাস কৰা হয় যে সেইবোৰ মানি নচলিলে আহিবলগীয়া সন্তানৰ ওপৰত প্ৰভাৱ পৰে বুলি। সন্তান জন্মৰ পাছত বিভিন্ন ৰীতি নীতিৰে নামপ্ৰসঙ্গৰে ঘৰ পৰিষ্কাৰ কৰাৰ বিশ্বাস চলি আহি সেইদৰে দৈব্যৰ চাই নামাকৰণ কৰা প্ৰয়োজনমতে দান - দক্ষিনা কৰাৰ বিশ্বাস চলি আহিছে। প্ৰসুতি হাতত কটাৰী থাকিলে, সন্তানক সৰিয়হ গাৰো দিলে ভূত নাহে বুলি বিশ্বাস আছে। বিবাহ সম্বন্ধীয় লোকবিশ্বাস: অসমৰ বিবাহ বিশেষকে সোমপুৰি সৰ্বভাৰতীয় উপাদান আছে। বেদমন্ত্ৰ উচ্চাৰণ কৰি অগ্নিক সাক্ষী কৰি দৰা কইনাৰ যুগ্ম জীৱন পাতনি মেলে। এই বিবাহ অনুষ্ঠানৰ লগত কিছুমান লোকবিশ্বাস জৰিত হৈ আছে। তুলনি বিয়াত ঠাই বিশেষে স্বামী পাবৰ বাবে কইনাক এজোপা কল গছৰ লগত বিয়া পাতি দিয়া হয়। বৰ বিয়াত জোৰোণত তামোলৰ থুক, মাছ, চাউল দিয়া প্ৰথা অসমীয়া বিবাহলৈ মংগোলীয় সকলৰ দান যদিও এই প্ৰথাৰ জৰিয়তে বংশভিত্তিক বিশ্বাস জৰিত হৈ থকা দেখা যায়। বেৰি তলৰ কণী পোতা প্ৰথা টোক প্ৰজননৰ প্ৰতীকৰূপে বিশ্বাস কৰা হয়। মৃত্যু সম্বন্ধীয় লোকবিশ্বাস: মৃত্যু এক স্বাভাবিক প্ৰক্ৰিয়া। ই জীৱনৰ অন্তিম পৰ্যায় । মৃত্যু সম্পৰ্কে অনেক জনগোষ্ঠী মাজত লোকবিশ্বাস চলি আহিছে। জাতি-জনজাতি ভেদে মৃত্যুদেহ জ্বলোৱা বা পুতি থোৱা অস্থি আদি সংগ্ৰহ কৰা সুকীয়া ধৰণৰ। অসমীয়া সমাজত কোনো লোকে আত্মহত্যা কৰিলে সেইটো জীৱ পাপি জীৱ, তাৰ মুক্তি নাই বুলি বিশ্বাস কৰা হয়। মৃত্যুৰ লগত জীৱনৰ কৰ্ম থলী নিহিত হৈ আছে। ভাল কৰ্ম কৰিলে মৃত্যুৰ জৰিয়তে মুক্তি আৰু বেয়া কৰ্ম কৰিলে জীৱ নৰশেৰে গমন কৰে বুলি বিশ্বাস আছে। পুত্ৰই পিতৃ - মাতৃ মুখাগ্নি কৰিব লাগে বুলি বিশ্বাস প্ৰচলিত। পুত্ৰহীন হলে মৃত্যু সম্ভৱ নহয় বুলি এক বিশ্বাস আহে। এই আটাইবোৰ লোকবিশ্বাসৰ আধাৰত সৃষ্টি হৈছে।

# সমাজত নাৰীৰ স্থান

লেখিকা: প্ৰতিভা দেৱী
সংগ্ৰহ : জেৰিস্না শইকীয়া
( অসমীয়া বিভাগ)

৮ মাৰ্চৰ দিনটো বিশ্ব সকলো ঠাইতে নাৰী দিৱস হিচাপে পালন কৰা হয়। ভাৰতৰ চাৰিখন ৰাজ্যৰ বাহিৰে ৬০ শতাংশই সকলো দিশতে পুৰুষৰ ওপৰত নিৰ্ভৰশীল। তথাপি মানৱ জাতিৰ সৃষ্টিৰ ঘাই শিপাডালেই হৈছে নাৰী। নাৰী অবিহনে পৃথিৱীৰ সকলো অস্তিত্বহীন, অন্তঃসাৰশূন্য। কিন্তু অতি পৰিতাপৰ বিষয় যে পুৰুষৰ সমানে আগবাঢ়ি যোৱাৰ বাটত প্ৰতিগৰাকী নাৰীয়ে সমাজত শাৰীৰিক, মানসিকভাৱে বহুতো বাধাৰ সন্মুখীন হ'ব লগা হয়। সেইবাবেই আমি নিজকে সুসভ্য জাতি বুলি পৰিগণিত হ'ব পৰা নাই। বহুতো কথাৰ পৰা ক'ব পৰা যায় নাৰীয়েই নাৰীৰ শত্ৰু। আমি নাৰীসকলে সভাই-সমিতিয়ে নাৰী নিৰ্যাতনৰ বিৰুদ্ধে ভাষণ দিওঁ। কিন্তু মূৰকত নিজৰৰ ঘৰৰ বন কৰা ছোৱালীজনী বা বোৱাৰীগৰাকীৰ ওপৰত শোষণ চলাওঁ। আমি প্ৰত্যেকগৰাকী নাৰীয়ে প্ৰত্যেক নাৰীৰ হৃদয়ৰ অবুজ বেদনা বুজিবলৈ চেষ্টা কৰিব পাৰিব লাগিব। আমাৰ মনৰ নীচ মনোবৃত্তিক মচি পেলাব পাৰিলেহে এখন সুস্থ সমাজ গঢ়িব পৰা যাব। সকলো নাৰী একগোট হৈ মুক্তিৰ কাৰণে সংগ্ৰাম কৰিব লাগিব। নাৰী সুৰক্ষা আইন প্ৰৱৰ্তন হ'লেও যদি প্ৰতিগৰাকী নাৰী সংশোধিত নহয়, তেনেহ'লে এখন নিকা সমাজ গঢ়াত বাধাৰ সন্মুখীন হোৱাৰ সম্ভাৱনা বেছি। সীমিত সংখ্যক নাৰী শিক্ষিত আৰু সুৰক্ষিত হ'লেই, নাৰী বৰ্ষ উদযাপন কৰি মেল-মিটিং পাতিলেও একো কামত নাহে। আমাৰ দেশৰ বেছিভাগ নাৰী দুখ, নিৰ্যাতন, অসুৰক্ষিত অৱস্থাত দিন অতিবাহিত কৰিব লগা হৈছে। নাৰীয়ে নাৰীক সঠিক পথত আগবঢ়াই আনিব পাৰিলেহে সফলতা লাভ কৰিব পৰা যায়। এটা কথা সদায় মনত ৰখা প্ৰয়োজন যে পুৰুষবিহীন হৈ কোনো নাৰীয়ে এই কামত সফলতা লাভ কৰিব নোৱাৰে। আজিকালি গাঁৱৰ মহিলাসকল বহু আগবাঢ়ি গৈছে। তেওঁলোকে নিজক নিজে চিনি পাব পাৰিছে। অকল পুৰুষৰ ওপৰতে যে এখন সংসাৰ চলিব নোৱাৰে, সেই কথা প্ৰায় নাৰীয়েই বুজি পাইছে। সেয়ে, নিজৰ ভৰিত থিয় দি গোটবিলাকৰ সহায়েৰে বিভিন্ন কৰ্ম কৰি ঘৰখন সুচাৰুৰূপে চলোৱাত সহায় কৰিব পৰা হৈছে। বৰ্তমান সময়ত নাৰীক পুৰুষৰ সৈতে সংবিধানত সমঅধিকাৰ দিয়া হৈছে। এই কথা প্ৰায় পৃথিৱীৰ সকলো দেশতে স্বীকৃত। তথাপি নাৰীৰ প্ৰতি থকা শাসনকাৰী মনোভাৱ পুৰুষ সমাজৰ পৰা আঁতৰ হোৱা নাই। নাৰীসকল আগবাঢ়ি গৈছে যদিও ৰখীয়া এজন নহ'লে চলা-ফুৰা কৰাটো এটা সপোনৰ দৰেই হৈ আছে। আমাৰ দেশত পৰ্যাপ্ত সুবিধা থকা সত্ত্বেও নাৰীসকল

শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত বহু পিছ পৰি আছে। নিজৰ নামটো লিখিব নজনা মহিলা আমাৰ সমাজত এতিয়াও আছে। এমুঠি নাৰী শিক্ষিত আৰু সুৰক্ষিত হ'লেই নাৰী মুক্তি বুলি ক'ব নোৱাৰি। আজি সংসদ আৰু বিধানসভাত মহিলাৰ ৩৩ শতাংশ আসন সংৰক্ষণৰ বিধেয়কখন গৃহীত হ'ল যদিও ১১ শতাংশতকৈ অধিক মহিলাই প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হোৱা নাই। একদৰে ঘৰে ঘৰে নাৰীসকলেই লিগিৰী হৈ কটাব লগা হৈছে। প্ৰাচীন কালত নাৰী শিক্ষা এতি আৱশ্যকীয় বুলি বিবেচনা কৰিছিল। প্ৰাচীন ভাৰতত মুকলি বিশ্ববিদ্যালয়ত ল'ৰা-ছোৱালীয়ে একেলগে শিক্ষা লাভ কৰিছিল। ৰামৰ পুত্ৰ লৱ-কুশৰ লগত আত্ৰেয়ীয়ে একেলগে বাল্মিকীৰ ওচৰত দীক্ষা লৈছিল। সম্ৰাট অশোকে বৌদ্ধধৰ্ম প্ৰচাৰৰ বাবে কন্যা সংঘমিত্ৰাক সিংহল দ্বীপলৈ পঠোৱাটোৱে পুৰুষ আৰু নাৰীক সমান বিবেচনা কৰাটোকে বুজাইছে। ভাৰতৰ প্ৰাতঃস্মৰণীয় মহিলাৰ ৰূপত জিলিকি কীৰ্তিৰে নাম উজ্বলাইছে গাৰ্গী, আত্ৰেয়ী, মৈত্ৰেয়ী, সীতা, কুন্তী, দ্ৰৌপদী, খনা, মীৰাবাই, ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ, জয়মতী, কনকলতা, ইন্দিৰা গান্ধী, সৰোজিনী নাইডু, কস্তুৰবা, বিজয়লক্ষ্মী পণ্ডিত, মাদাৰ টেৰেছা, পদ্মশ্ৰী নলিনীবালা দেৱী, নিৰ্মলপ্ৰভা বৰদলৈ, চন্দ্ৰপ্ৰভা শইকীয়ানী আদিয়ে। মহাকাশচাৰী কল্পনা চাওলাৰ কথা নক'লোৱেইবা। আমাৰ অসমৰ মূলা গাভৰুৱে যুদ্ধত অংশগ্ৰহণ কৰিছিল। বৰৰাণী ফুলেশ্বৰী কুঁৱৰীয়ে ৰাজ্য চলাইছিল। নাৰীৰ সেই সময়ত সন্মান, মৰ্যাদা অসীম আছিল। প্ৰতিজন পুৰুষৰ উন্নতিৰ আঁৰত এগৰাকী নাৰী থাকে বুলি কোৱা হয়। নাৰী এগৰাকীৰ অনুপ্ৰেৰণাই পুৰুষৰ জীৱনলৈ পৰিৱৰ্তন আনি দিব পাৰে। যিগৰাকী নাৰীয়েই নিজৰ দুখ-যন্ত্ৰণা পাহৰিও স্বাৰ্থহীনভাৱে আনৰ বাবে সকলো কৰি যাব পাৰে তেৱেঁই প্ৰকৃত নাৰীৰ স্থান পাব পাৰে। প্ৰতিগৰাকী নাৰীয়েই সকলোৰে মাতৃ, যাৰ তুলনা নাই মৰমৰ, দয়াৰ, ক্ষমাৰ, ধৈৰ্যৰ। নাৰীৰ ধ্বংসৰ নহয়, সৃষ্টিৰহে বীজ ৰোপণ কৰিব পৰা ক্ষমতা থকা উচিত। আনহাতে, যিসকল নাৰী নিৰ্যাতিতা, লাঞ্ছিতা আৰু অৱহেলিতা হৈ আছে তেওঁলোকৰ উত্তৰণৰ বাবে নাৰীসকল আগবাঢ়ি আহিব লাগিব। কাগজে-কলমে, মেলে-মিটিঙে নহয়, হাতে-কামে কৰিলেহে সফল হ'ব। যিখন দেশত নাৰী প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী, পুলিচৰ বিষয়া, ডাক্তৰ, অভিযন্তা, পৰ্বতাৰোহণ, খেলুৱৈ আদিৰে ভৰি উঠিছে, সেইখন দেশতে নাৰী নিৰ্যাতনো চলি আছে। এইবোৰৰ পৰা নাৰী মুক্ত হ'ব কেতিয়া?

# **নিৰ্বাচনী আয়োগ**

**শ্ৰীমতী মুনমী ফুকন**
**(ৰাজনী বিজ্ঞান বিভাগ)**

নিৰ্বাচনী আয়োগ গণতন্ত্ৰৰ এক গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান , নিৰ্বাচনী প্ৰক্ৰিয়াৰ ন্যায্যতা, অখণ্ডতা, স্বচ্ছতা নিশ্চিত কৰাৰ বাবে দায়বদ্ধ| সাধাৰণতে ই এটা স্বতন্ত্ৰ , দলবিহীন সংস্থা যিয়ে ভোটাৰৰ পঞ্জীয়ন, নিৰ্বাচন পৰিচালনা , ফলাফল গণনা আৰু প্ৰতিবেদন তদাৰক কৰে | নিৰ্বাচন আয়োগে ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন , নিৰ্বাচনী বিষয়াক প্ৰশিক্ষণ দিয়া , ভোটদান পদ্ধতি মানি চলাটো নিশ্চিত কৰাৰ দায়িত্ব লয় | নিৰ্বাচনী প্ৰক্ৰিয়াৰ সময়ত উদ্ভৱ হ'ব পৰা যিকোনো বিবাদ সমাধানতো ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে | এই কাৰ্যকৰী দায়িত্ব সমূহৰ উপৰিও নিৰ্বাচনী প্ৰক্ৰিয়াটো যাতে অযথা প্ৰভাৱ বা হস্তক্ষেপৰ পৰা মুক্ত হয় সেইটো নিশ্চিত কৰাৰ দায়িত্বও নিৰ্বাচন আয়োগক দিয়া হৈছে | ইয়াৰ লগত প্ৰচাৰৰ বিত্তীয় সাহায্য নিৰীক্ষণ কৰা , ৰাজনৈতিক বিজ্ঞাপন নিয়ন্ত্ৰণ কৰা , ভোটাৰ দমন বা জালিয়াতিৰ অভিযোগৰ তদন্ত আদি জড়িত থাকিব পাৰে | সামগ্ৰিকভাৱে নিৰ্বাচন আয়োগ এক গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান যিয়ে নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ সুৰক্ষিত কৰাত সহায় কৰে আৰু নিৰ্বাচনৰ ফলাফলত জনসাধাৰণৰ ইচ্ছা যাতে সঠিকভাৱে প্ৰতিফলিত হয় | ইয়াৰ স্বাধীনতা আৰু নিৰপেক্ষতা নিৰ্বাচনী অখণ্ডতাৰ বাবে অতি গুৰুত্বপূৰ্ণ | গতিকে নিৰ্বাচন আয়োগ সাধাৰণতে আইনৰ পৰিসৰৰ ভিতৰত কাম কৰা এটা স্বতন্ত্ৰ সংস্থা যিয়ে সকলো নিৰ্বাচনী কাৰ্য্যকলাপ স্বচ্ছ আৰু জবাবদিহি ভাৱে চলোৱাটো নিশ্চিত কৰে | ইয়াৰ দায়িত্ব সমূহৰ ভিতৰত আছে ভোট গ্ৰহণৰ সময়সূচী নিৰ্ধাৰণ কৰা ,ভোটাৰ তালিকা পৰিচালনা কৰা, ভোটগ্ৰহণ কেন্দ্ৰসমূহ সংগঠিত কৰা, নিৰ্বাচনৰ মসৃণ আৰু কাৰ্যক্ষম পৰিচালনা নিশ্চিত কৰিবলৈ নিৰ্বাচনী বিষয়াসকলক প্ৰশিক্ষণ দিয়া লগতে গণতন্ত্ৰৰ নীতিসমূহ ৰক্ষা কৰি আৰু ৰাজনৈতিক অংশগ্ৰহণক প্ৰসাৰিত কৰি নিৰ্বাচন আয়োগে এখন সুস্থ আৰু সজীৱ গণতন্ত্ৰৰ ভেটি শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে |

# যুৱ প্ৰজন্মৰ ওপৰত ড্ৰাগছৰ প্ৰভাৱ

শ্ৰীমতী অৰ্পনা লাহন
( দৰ্শন বিভাগ )

এখন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকা শক্তি হৈছে যুৱ সমাজ। কিন্ত বৰ্তমান সময়ত এই যুৱ সমাজতেই বিভিন্ন সমস্যাই আগুৰি ধৰিছে। গাইকৈ চৈধ্য বছৰ বয়সৰ পৰাই ত্ৰিশ বছৰৰ ভিতৰৰ ভিতৰৰ পৰাই অবিবাহিত ণযুৱক যুৱতীৰে যুৱ সমাজ গঠিত । পৰিৱেশ পৰিস্থিতিৰ প্ৰতিকূলতাত ইয়াৰে এচাম যুৱক যুৱতীয়ে আত্ম নিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলত এই যুৱ সমাজ বিপদৰ পথত গতি। কৰিছে আৰু উঠি অহা প্ৰজন্মক বিপদৰ পথলৈ লৈ গৈছে। বৰ্তমান পাশ্চাত্য সংস্কৃতিৰ লগত ফেৰ মাৰিবলৈ গৈ এচাম যুৱক যুৱতীয়ে কৃত্ৰিম সহানুভূতি লাভৰ বাবে মাদক দ্ৰব্য গ্ৰহণ কৰিবলে লৈছে । এনে এক মাৰাত্মক বৰবিহস্বৰুপ মাদক দ্ৰব্য হৈছে ড্ৰাগছ । ড্ৰাগছৰ প্ৰভাৱে বৰ্তমানৰ যুৱচামক এক অনিশ্চিত ভৱিষ্যতলৈ লৈ গৈছে । ড্ৰাগছৰ আসক্তি বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে এক ভয়াবহ সমস্যা হিচাপে পৰিগণিত হৈছে। প্ৰথম অৱস্থাত বিশ্বৰ উন্নত দেশ বিলাকত ড্ৰাগছৰ আসক্তি প্ৰচুৰ আছিল যদিও পিছলৈ ই অনুন্নত আৰু উন্নয়নশীল দেশসমূহতও বিয়পি পৰে। ড্ৰাগছৰ ব্যৱসায় লগত জড়িত হৈ আছে হাজাৰ হাজাৰ লোক। প্ৰশ্ন হয় যে এই ব্যৱসায় আৰু ইয়াৰ সৰবৰাহ ৰোধ কৰিব নোৱাৰি নেকি? চৰকাৰী ভাৱে ড্ৰাগছৰ সৰবৰাহ বন্ধ ঘোষণা কৰিলেও বৰ্তমানসময়ত ভাৰতবৰ্ষলৈ অবৈধভাবে পাকিস্তান, আফগানিস্তান,বাৰ্মা, থাইলেণ্ড, আৰু হংকংৰ পৰা চোৰাং সৰবৰাহ ঘটে। সাধাৰণতে ড্ৰাগছ তৈয়াৰ হয় আফিমৰ পৰা। অৱশ্যে ইয়াৰ লগত ৰাসায়নিক প্ৰক্ৰিয়াৰে অন্যান্য নিচা যুক্ত পদাৰ্থও সংযোগ কৰা হয়। বৰ্তমান বজাৰত ড্ৰাগছ বিভিন্ন প্ৰকাৰৰ পোৱা যায়; যেনে: এল এছ ডি , হিৰোইন , ক'কেইন , চাৰাচ ইত্যাদি। উল্লেখযোগ্য যে এবাৰ ড্ৰাগছ সেৱন কৰিলে পিছত ইয়াক ত্যাগ কৰাৰ অসম্ভ হৈ পৰে। ড্ৰাগছ সেৱনৰ ফলাফল অতি ভয়ানক। কাৰন এনে আসক্তিৰ ফলশ্ৰুতিত এজন ব্যক্তিৰ টিলটিলকৈ মৃত্যুৰ মুখলৈ আগবাঢ়ে। বিশেষকৈ বেজিৰে ড্ৰাগছ। লোৱাৰ বাবে এইড্ৰ। লগতে বিভিন্ন ৰোগৰ বীজাণু সংক্ৰমণ ঘটে। সেইদৰে দুৰ্বলতা পেটৰ বিষ, ক্ষয় ৰোগ, হেপাটাইটিছ , শৰীৰৰ কপনি , অস্বাভাৱিক ৰক্তচাপ , দৃষ্টিহীনতা,নিদ্ৰাহীনতা আদি বিভিন্ন ৰোগৰ। কাৰকে দেহত ঠাই লয় কেন্সাৰ ৰোগৰ কাৰকেও

কেতিয়াবা ড্ৰাগছ্ সেৱনকাৰীৰ দেহত দেখা দিব পাৰে। ড্ৰাগছ্ সেৱনৰ ফলত মানসিক দিশতও যথেষ্ট প্ৰভাৱ পৰে। মানসিক দিশত সাধাৰণতেই আত্মহত্যাৰ প্ৰৱনতা, অকাৰণতে উত্তেজিত হোৱা , হতাশাত ভোগা,উদাসীনতা ইত্যাদি কাৰকে দেখা দিব পাৰে। ড্ৰাগছৰ কৱলত অসম: সমগ্ৰ বিশ্ব তথা ভাৰতবৰ্ষৰ লগতে সম্পতি অসমতো বৰবিহস্বৰূপ ড্ৰাগছ সেৱনৰ আসক্তিয়ে ভয়াবহ ৰূপ ধাৰণ কৰিছে। বৰ্তমান অসমত আসক্তি প্ৰচুৰ নহলেও উঠি অহা যুৱচামৰ মাজত ক্ৰমশ ইয়াৰ প্ৰভাৱ বাঢ়ি আহিছে । ড্ৰাগছ আসক্তিয়ে গোটেই অসমৰ স্বাভাৱিক পৰিৱেশ বিনষ্ট কৰি পেলাইছে। বৰ্তমান গাওঁ সমাজতো ইয়াৰ প্ৰভাৱ পৰিছে। ড্ৰাগছ্ সেৱন কৰা সংখ্যা বাঢ়ি অহাৰ ফলত বহুতো অপৰাধ সংঘটিত হৈছে। ড্ৰাগছৰ আসক্তিয়ে বক্তিগতভাৱে ক্ষতি কৰাৰ উপৰিও সমাজ , অৰ্থনীতি , ৰাজনীতি আদি সকলোতে ঋনাত্মক প্ৰভাৱ পেলায় । সুস্থ চিন্তাৰ অবিহনে এখন সুস্থ সমাজ কল্পনা কৰিব নোৱাৰি। ড্ৰাগছৰ দৰে ভয়ানক আসক্তিক ৰোধ কৰা উপায় হৈছে যুৱশক্তিক সদায় সৎ কৰ্ম, সৎ চিন্তাত প্ৰবৃত্ত কৰি ৰখা। লগতে পিতৃমাতৃ, সমাজৰ অগ্ৰনি লোক, শিক্ষক তথা চৰকাৰ খনো সচেষ্ট হব লাগিব। কৰ্মহীনতাই মনলৈ আলস্য ভাব আনে । তদুপৰি বিবেকে সৃষ্টিশীল কৰ্মৰ চিন্তা চৰ্চা কৰিব নোৱাৰিলে আপোনা আপোনি বদ অভ্যাস কৰিবলৈ আৰম্ভ কৰে। ফলস্বৰূপেই বেয়া অভ্যাসে অসৎ পথত খোজ দিবলৈ অনুপ্ৰেৰণা যোগায়। কৰ্ম সংস্কৃতিৰে যুৱ প্ৰজন্মক আগবঢ়াই নিয়াৰ দায়িত্ব আমাৰ সকলোৰে সমাজৰ বুদ্ধিজীৱিৰ সকলেও আগভাগ লৈ দেশ তথা জাতিৰ ভৱিষ্যত প্ৰজন্মক দিকদৰ্শন কৰি ড্ৰাগছৰ দৰে বৰবিহবিধক ৰোধ কৰিবলৈ ওলাই অহা উচিত । চৰকাৰেও অধিক গুৰুত্ব প্ৰদান কৰি ড্ৰাগছৰ প্ৰচলন একেবাৰে নিৰ্মূল কৰিবলৈ তীব্ৰ প্ৰচেষ্টা হাতত লোৱা উচিত।

# জৈন দীক্ষা

**কংকণা সোণোৱাল**

আজিৰ সময়ত আটাইতকৈ চৰচিত বিষয়টো হৈছে দীক্ষা গ্ৰহন কৰা। এই ক্ষেত্ৰত চাবলৈ গলে দেখা যায় যে ভাৰতবৰ্ষৰ প্ৰায় সংখ্যক কোটিপতিয়ে জৈন দীক্ষা গ্ৰহন কৰে। যত 10-12 বছৰ বয়সৰ পৰা আৰম্ভ কৰি প্ৰায় সকলো বয়সৰ লৰা -ছোৱালী আৰু বয়োজ্যেষ্ঠ মানুহে দীক্ষা গ্ৰহন কৰা দেখা যায়। এই জৈন ধৰ্মত দীক্ষা লোৱাটো সিমান সহজ কথা নহয়। কিয়নো এই দীক্ষা লোৱা ব্যক্তিগৰাকীয়ে নিজৰ পৰিয়াল, আত্মীয়ক, ধন , টকা, মাটি-বাৰী আদি সকলো ত্যাগ কৰিব লাগে। তাৰ পাছত জৈন মুনি হব কাৰণে এক কঠোৰ পৰীক্ষা দিব লাগে, যত এজন জৈন ধৰ্মৰ মহাত্মাৰ ওচৰত দীক্ষা লৈ 23 ৰ পৰা 42 দিন জৈন সাধুৰ দৰে সাধাৰণ জীৱন কটাব লাগে। এজন মানুহে এনে কঠোৰ ব্ৰত অৱলম্বন কৰিব পাৰিলেহে জৈন ধৰ্মত দীক্ষিত হব পাৰে৷ তাৰ পিছত দীক্ষা গ্ৰহন কৰা মহিলা বা পুৰুষ বা শিশুটিয়ে , তেওঁ শৰণাপন্ন হোৱা সন্তজনৰ মাধ্যমেৰে তেওঁৰ পৰিয়ালৰ ওচৰত এখন পাৰমিনেন্ট সন্ত হোৱা প্ৰমান পত্ৰ প্ৰেৰণ কৰে। যত লিখা থাকে আজিৰ পৰা তেওঁ এজন সন্ত, তেওঁ পৰিয়াল, আত্মীয় সকলো সুখ আৰু বিলাষ দিব পৰা সেৱাসমূহ ত্যাগ কৰিছে ।লগতে পৰিয়ালৰ কোনো সদস্যয়ে তেওঁৰ ওপৰত অধিৰ দেখুৱাব নোৱাৰিব। এনেধৰণে তেওঁ সন্ত হব বিচৰা প্ৰথমটো প্ৰক্ৰিয়া সমাপন হয়। তাৰ পিছত তেওঁক আনুষ্ঠানিকভাৱে এখন ডাঙৰ বিয়াৰ দৰে অনুষ্ঠান পাতি সন্ত হব বিচৰা ব্যক্তি বা মহিলাগৰাকীক শেষবাৰ লৈ সুন্দৰ কাপোৰ, আ-অলংকাৰ পৰিধান কৰিব দিয়া হয়। লগতে তেওঁ শেষবাৰলৈ বিচৰা তেওঁ ভালপোৱা সকলো বস্তু দিয়া হয়। সাধাৰণতে এই সমাৰোহ চাবলৈ অসংখ্য মানুহৰ সমাগম হোৱা দেখা যায়। এই অনুষ্ঠানৰ শেষৰ পযায়ত সন্ত হবলৈ যোৱা ব্যক্তিজনে নিজৰ পিন্ধি থকা সকলো অলংকাৰ, কাপোৰ কানি জৈন ধৰ্মৰ নিয়ম অনুসৰি খোলি দি বগা বস্ত্ৰ পৰিধান কৰে আৰু সকলো চুলি মূৰৰ খোৱাই দিয়ে। আৰু শেষবাৰলৈ ঘৰৰ সকলো আত্মীয় লগত মিলা- মিছা কৰে। তাৰ পিছত সকলোৰে পৰা বিদায় লৈ অন্য সন্তসকলৰ লগত মুক্তিৰ বাট বিচাৰি ঘৰৰ পৰা ওলাই যায়। এনেদৰে আৰম্ভ হয় তেওঁৰ আধ্যাত্মিক চিন্তা-চৰচাৰ জীৱন। সাধাৰণতে এই ধমত দীক্ষা লোৱা সকলৰ দুটা পন্থা থাকে সেয়া হৈছে দিগম্বৰ আৰু ছেতাম্বৰ।ছেতাম্বৰ পন্থাত সকলো বয়সৰ লৰা - ছোৱালী, প্ৰাপ্ত বয়স্ক পুৰুষ -নাৰী সকলোৱে দীক্ষা লব পাৰে। বস্ত্ৰ পৰিধান কৰিব পাৰে লগত এটা পাত্ৰ ৰাখিব পাৰে। আনহাতে দিগম্বৰ পন্থাত এক বিশ্বাস আছে যে পৃথিৱীখনে আমাক সকলো বস্তু মুকলি আকাশৰ তলত দিছে। গতিকেমানুহহেও মুক্তভাৱে মুকলি আকাশৰ তলত বস্ত্ৰ পৰিধান নকৰাকৈ থাকিব লাগে। যাৰ বাবে তেওঁলোকে বস্ত্ৰ পৰিধান নকৰাকৈ থাকে। এনে কাৰনতে এই পন্থাত নাৰীসকলক দেখা

পোৱা নাযায়। তদুপৰি এই পদ্ধতিত পুৰুষসকলে নিজে আহাৰ বনাই নেখায়। তেওঁলোকে আনে দান দিয়া বা কাৰোবাই ঘৰত আমন্ত্ৰণ জনালে আমন্ত্ৰণ ৰক্ষা কৰি গলে , তেতিয়া ভোজন গ্ৰহণ কৰে। কিন্তু ভোজন গ্ৰহণ কৰাও নিয়ম আছে। যত দুয়োটা পন্থাৰ সাধুয়ে হাতৰ মুঠিত ধৰাকৈ খাদ্য দুই বা তিনিবাৰ গ্ৰহণ কৰে, তাতকৈ বেছি নহয়। লগতে জৈন দীক্ষা লোৱা লোকে ভৰিত চপল নিপিন্ধে।কাৰণ তেওঁলোকে ভাৱে যে চপল পিন্ধিলে মাটিত থকা ক্ষুদ্ৰ জীৱৰ ক্ষতি সাধন হব পাৰে। এনেদৰে তেওঁলোকে পৃথিৱীত থকা মানৱ জাতিৰ লগতে অন্যান্য জীৱ কুলৰ কল্যাণৰ কথা ভাবি সাধাৰণ ধৰণে জীৱনটোক উপভোগ কৰে। এই মহান ধৰ্মটোৰ পাঁচটা সাধাৰণ নীতি আছে। যি কেইটা নীতি এই সাধু-সন্তসকলে পালন কৰা দেখা যায়। সেইকেইটা হল - অহিংসা নীতি পালন কৰি জীৱনটোক সংযম কৰা, সঁচা কথা কোৱা, সৰলতাভাৱ পোষন কৰা, ব্ৰহ্মাচাৰী ব্ৰত পালন কৰা আৰু প্ৰয়োজনীয় বুলি ভাৱা সকলো ধৰণৰ বস্তু ত্যাগ কৰা। এই ধমত দীক্ষা লোৱা সন্তসকলে জীৱনৰ শেষ সময়ত একো নুধুৱাকৈ একান্ত মনে ভগৱানৰ চিন্তাত মৃত্যুৰ ক্ষণ ঘনে। আনকি কিছুমান সন্ত পানীত সমাধি লোৱা দেখা যায়। শেষত দেখা যায় যে এই ধৰ্মই সকলো মানুহকে সামৰি লৈছে। যত বিশেষকৈ গৌতম আদমি, ৰাহুল ভাতিয়া, ভব্য ছাহ আদিৰ দৰে আটাইতকৈ ধনী সম্প্ৰদায় লোকে এই ধমত দীক্ষিত হৈ সাধু-সন্ত হৈছে। বিশেষকৈ 8-12 বছৰ বয়সৰ সৰু লৰা-ছোৱালী এই ধমত দীক্ষিত হোৱাৰ বাবে কিছুমান মানুহৰ মাজত এই পন্থাকলৈ বিতকৰো সূত্ৰপাত হৈছে । কাৰণ সৰু লৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি একেটা পৰিয়ালৰ তিনিটা প্ৰজন্মৰ লৈকে এই ধৰ্মত দীক্ষিত হৈছে। বিশেষকৈ নামি-দামি ,ধন-সম্পদেৰে ভৰপুৰ মানুহে এই ধমত দীক্ষা লোৱাটো মন কৰিব লগীয়া কথা।

# The Cuisine Of West Bengal

**PUJA GOSH**

**H.S 1ST YEAR**

-

West Bengal's cuisine is a delightful fusion of flavours deeply rooted in it's cultural heritage and geographical diversity. Rice particularly Gobindo Bhog and basmati varieties, from the staple, accompanied by a variety of fish such as hilsa and rohu sourced from its extensive river networks.

Fish is prepared in numerous ways, from the iconic Machher jhol (fish curry) to steamed preparations like Paturi (fish wrapped in banana leaf with mustard paste) mustard oil, turmeric and Panch Poron (five-spice blend) are integral to bengali cooking, lending dishes their distinctive aroma and taste.

Vegetarian dishes are equally cherished, featuring seasonal vegetables cooked in unique styles such as Shukto (bitter- sweet vegetable stew) and Bhaja (pan fried- fried vegetables). Aloo Posto (potatoes in poppy seed paste) is a beloved classic. Bengali sweets or mishti are renowned for their delicate flavours and textures. Rosogolla (soft cheese cottage cheese), and Mishti Doi (sweet yogurt) exemplify bengali's mastery in dessert-making.

Influenced by Mughal and British culinary traditions west bengal's cuisine offers a harmonious blend of sweet and Savory flavours, reflecting the reflecting the region's historical interaction's and diverse cultural influences.

# "মা "

**Sadiya Begum**
**Hs first year**

মা তুমি মোৰ ছাঁ
"দেউতা "
দেউতা তুমি মোৰ সৃষ্টি
"মা"
তুমি যে মোক সৰুতে কোলাত লৈ
নিচুকনি গীত গাই গাই
টোপনি যোৱাবলৈ চেষ্টা কৰিছিল
তুমি মোক এৰিনা নাযাবা মা ।।

"দেউতা"
তুমি কিয় এৰি গলা আমাক
মা আৰু মই তোমাক সদায়ে বিচাৰোঁ
মায়ে কয় তুমি বুলে আকাশত থাকা
ক' তা মই দেখোন সদায়ে বিচাৰি। থাকো আকাশত
তোমাক কটো বিচাৰি নাপাও দেউতা।

"ভগৱান"
তোমাক মই কাকুতি কৰিছো
মোৰ মা বেমাৰ হৈছে
মানুহে কয়;
মাবুলে দেউতাৰ ওচৰলৈ যাব
মই নিদিওঁ মোৰ মাক যাব
"মা"
তুমি চিন্তা নকৰিবা
মই তোমাৰ ভাল কৰি দিম
"মা" এবাৰ মাত দিয়া মা
তুমি
তুমি কিয় ইমান শুই আছা
কি হ'ল?
অ' মা মোৰ বৰ ভুক লাগিছে
মা.. তুমি মোক এবাৰ মাত দিয়া মা

# <u>দেউতা</u>

**<u>ভাগ্যলক্ষী বড়া</u>**
**<u>একাদশ</u>**
**<u>শ্ৰেণী।।।</u>**

দেউতা তুমি মোৰ জীবনৰ শক্তি
কৰিম তোমাক আজীৱন ভক্তি
মোৰ সপোন জগতৰ এটি সুন্দৰ  পঁজা
য'ত তুমি তাৰ একমাত্ৰ ৰজা
তোমাৰ মনৰ ভিতৰত আছে বহুতো আশা
মই কিন্তু তাৰ একমাত্ৰ সীমাৰেখা।।
তোমাৰ বাবে মই ৰাতি আকাশৰ জিলিকা তৰা
জীৱন নামৰ জখলাত সাহসেৰে পাৰ কৰা
দু সাহসী, নি: স্বাৰ্থ মনৰ অধিকাৰী মোৰ দেউতা
মই তোমাক অনুসৰণ কৰোতা
দেউতা, তোমাৰ মনৰ চিন্তাবোৰ অতি পৱিত্ৰ
সেইবোৰক মই কেতিয়াও নকৰো অপবিত্ৰ
তোমাৰ সন্মান আগত ৰাখি ধৰ্য্য, চেষ্টাৰে কৰিম কাম
মোৰ বিশ্বাস এদিন হ'ব তোমাৰ নাম।।

# <u>বৰষুণৰ টোপাল</u>

**খুচি মগৰ**
**একাদশ শ্ৰেণী**

বৰষুণৰ টোপাল
যেতিয়া পৰেহি মাটিত
তেতিয়া মাটিয়ে যেন পায় এক নতুন জীৱন।।
বৰষুণৰ টোপাল যেতিয়া পৰেহি গছৰ পাতত
তেতিয়া যেন  পায় এক নতুন পোখা।।
বৰষুণৰ টোপাল
যেতিয়া নামি আহে
বিচাৰি পাওঁ এক  অলেখ শান্তি।।
বৰষুণৰ টোপাল
যেতিয়া পৰেহি প্ৰকৃতিত,
প্ৰকৃতিয়েও লয়
এক নতুন ৰূপ।।

# **জোনাক নিশা**

**নিহৰিকা সোণোৱাল**
**একাদশ শ্ৰেণী।।**

জোনাক নিশাৰ চিকমিকি
এই জুনবাইটি
পাতিবলৈ মন যায়
কথা কেইবাটি
পপীয়া তৰাটি ক'তনো
যায় ইমান যোৰে
মন যায় তাক দিব আগভেটি
মনোৰম দৃশ্য যে
এই জোনাক নিশাটি
মন যায় বাস কৰিব
চিৰদিনলৈ বুলি।।

# <u>সপোন</u>

**<u>কৰীণা মহন</u>**
**<u>একাদশ শ্ৰেণী</u>**

সপোন, সপোন বুলি দৌৰিবা যেতিয়া
পাবা তুমি অলেখ কষ্ট তেতিয়া
মা দেউতা বুকুত যে আছে কিমান সপোন
আজিও যে আছে দুখবোৰ সুখলৈয় পৰিবৰ্তন কৰা হাবিয়াস।।।
মনে বিচৰা সপোনবোৰ বুকুতে বান্ধি
উৰি যাব বিচাৰে সেই দূৰ আকাশলৈ
য'ত আমাৰ পৰিয়ালটিয়ে
খোজে খোজ ধৰি আগুৱাই দিয়ে মোক এখোজ দিবলৈ।।
আশা আকাংক্ষাৰে ভৰা এই পৃথিৱীত
যেতিয়া মগজুৰে ব্যাকুল হৈ বিৰিঙাব বিচাৰে
নিশাৰ আন্ধাৰত দিশহাৰা হোৱা জোনাকী পৰুৱাই তেতিয়াই সপোন পূৰাবলৈ উৎফুলিত হৈ পৰে।।

# **প্ৰয়াস**

**ৰাজশ্ৰী দাস**
**একাদশ শ্ৰেণী**

অসমীয়া জাতিৰ সমাজ  সংস্কাৰক
বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক
কৃচছ্ সাধ্য পথৰ অন্যতম পথিক
তেওঁৱেঁই শাস্ত্ৰকাৰ শংকৰ
ব্যস্ত সমাজত আগমন ঘটিছে নতুন নীতিৰ
সংমিশ্ৰণ ঘটিছে শংকৰী সংস্কৃতিৰ।
ক্ষীণ হৈ পৰিছে শংকৰী সংস্কতি বিভ্ৰাজ,
বাধ্য হিচাপে পৰিণত হ'ল নতুন সংস্কৃতি।
প্ৰয়াস মাথোঁ
অসমীয়া সংস্কৃতি  সৌৰভ
শংকৰী কৃষ্টি - সংস্কৃতিৰ জীয়াই ৰখাৰ,
শংকৰী কৃষ্টি- সংস্কৃতি পূৰ্ণায়ু  প্ৰদান কৰাৰ।
সৰ্বমানৱৰ কল্যাণৰ হকে
উত্তৰ - পুৰুষৰ মংগলৰ হকে
শংকৰী সংস্কৃতিৰ পূৰ্ণাঙ্গ ৰূপ প্ৰদান কৰাৰ।।

# ত্যাগ

**সৌভাগ্য চেত্ৰী**
**একাদশ শ্ৰেণী**

সপোন তুমি ৰচি থোৱা
কৰ্মজীৱনক তুমি আগুৱাই নিয়া
ত্যাগ কৰিবলৈ তুমি ভয় নকাৰিবা
সময়ৰ সোঁতত পৰিত্যাগ কৰিবা
জীবনৰ বাটত তুমি সংঘৰ্ষ কৰিবা
আধা বাটতে এৰি নুঘুৰিবা
ভুল যদি হৈ যায়, ভুলৰ স্বীকাৰ কৰিবা
জীবনৰ বাটত যদিও উঠা নমা হয়
কিন্তু পিছ হুহুকি নাচাবা।
যদিহে জীবনৰ ৰংবোৰে লোকা ভাকু খেলে
তথাপি তুমি আগুৱাই যাবলৈ চেষ্টা কৰিবা
পিছলৈ ঘুৰি  নাচাবা।

# কলম

**পৰিস্মিতা বৰ্মন**
**একাদশ শ্ৰেণী**

হেজাৰ নিস্তব্ধতাৰ পাছতো
যিয়ে মনৰ ভাৱ প্ৰকাশ কৰিবলৈ
উৎসাহিত কৰে সেয়াই হৈছে কলম
কলমৰ অবিহনে হও আমি অধাৰুৱা।।

মানুহৰ সপোন পূৰণ কৰাত
তুমিয়েই হ'লা একমাত্ৰ অস্ত্ৰ
য'ত মানুহে মনৰ ভাৱ প্ৰকাশ কৰি
অলেখ সপোনবোৰ পৰিণত কৰে বাস্তৱত।।

তোমাৰ অবিহনে বিকাশৰ কোনো অস্তিত্ব নাই
লেখক লেখিকাৰ কোনো গুৰুত্ব নাই
তোমাৰ অবিহনে
সকলোৰে পৰিচয় হয় আধৰুৱা।।

তুমিয়েই হ'লা একমাত্ৰ সাৰথি
যিজনে বিশ্বত জিলিকিব পাৰে
নিজে চিয়াঁহীৰ এন্ধাৰত থাকি
আনক পোহৰাই তোলা অস্ত্ৰই হ'ল কলম।।